# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 06-02-2025
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰায় ৬০ দশমিক ৪-২ শতাংশ ভোটদানেৰে ৭০ জনীয়া দিল্লী বিধানসভাৰ বাবে ভোটগ্ৰহণ প্ৰক্ৰিয়া কালি সন্ধিয়া শান্তিপূৰ্ণভাৱে সমাপ্ত হয়।

২। সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উন্নয়নৰ পথত অগ্ৰসৰ হোৱা বুলি গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰে।

৩। ৰাজকুমাৰ ৰোহিম আল হুছেইনীক ইছমাইলী মুছলমানৰ অধ্যাত্মিক নেতা নতুন আগা খান হিচাপে নামকৰণ কৰা হৈছে।

*আৰু*

৪। ইণ্ডিয়ান ছুপাৰ লীগৰ এখন প্ৰতিযোগিতাত কালি মোহন বাগান ছুপাৰ জায়েণ্টে পঞ্জাৱ ফুটবল ক্লাৱক ৩-০ গলত পৰাস্ত কৰে।

ooooo

৭০ জনীয়া দিল্লী বিধানসভাৰ বাবে ভোটগ্ৰহণ প্ৰক্ৰিয়া কালি সন্ধিয়া শান্তিপূৰ্ণভাৱে সমাপ্ত হয়। ভোটদানৰ হাৰ প্ৰায় ৬০ দশমিক ৪-২ শতাংশ। উত্তৰ-পূব দিল্লীত সৰ্বাধিক ৬৬ দশমিক ২-৫ শতাংশ ভোটদানৰ হাৰ পোৱাৰ বিপৰীতে দক্ষিণ-পূব দিল্লীত সৰ্বনিম্ন ভোটদানৰ হাৰ ৫৬ দশমিক ১-৬ শতাংশ। শ্বাহদাৰা জিলাত ভোটাৰৰ হাৰ ৬৩ দশমিক ৯-৪ শতাংশ, উত্তৰ দিল্লীত ভোটদানৰ হাৰ প্ৰায় ৫৯ দশমিক ৫-৫ শতাংশ আৰু উত্তৰ-পশ্চিম দিল্লীত ভোটাৰৰ হাৰ প্ৰায় ৬০ দশমিক ৭ শতাংশ। ৰাজনৈতিক ভাগ্য নিৰ্ণয় হ'বলগীয়া প্ৰাৰ্থীসকলৰ ভিতৰত আম আদমী পাৰ্টিৰ ৰাষ্ট্ৰীয় আহ্বায়ক অৰবিন্দ কেজৰিৱাল, দিল্লীৰ মুখ্যমন্ত্ৰী আতিশী, মন্ত্ৰী গোপাল ৰায়, বিজেপিৰ ৰিজেন্দৰ গুপ্তা, প্ৰৱেশ বাৰ্মা, ৰমেশ বিধুৰী আৰু কৈলাশ গেহলট অন্যতম। কংগ্ৰেছ নেতা সন্দীপ ডিক্সিট আৰু অলকা লাম্বাইয়ো এই যুঁজত অৱতীৰ্ণ হৈছে। অহা শনিবাৰে এই নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়, উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ সঞ্জীৱ খান্না, কেন্দ্ৰীয় মন্ত্ৰী ডং এছ জয়শংকৰ, হৰদীপ সিং পুৰী, জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰাহুল গান্ধী, সেনা বাহিনীৰ মুৰব্বী উপেন্দ্ৰ দ্বিবেদী, দিল্লীৰ উপ ৰাজ্যপাল বিনয় কুমাৰ ছাক্সেনা আৰু দিল্লীৰ মুখ্যমন্ত্ৰী আতিশীয়ে কালি দিল্লী বিধানসভা নিৰ্বাচনত ভোটৰ অধিকাৰ সাব্যস্ত কৰে।

ৰাষ্ট্ৰীয় ৰাজধানীত কালি মুক্ত আৰু নিকা নিৰ্বাচন নিশ্চিত কৰাৰ বাবে নিৰ্বাচন আয়োগে ব্যাপক নিৰাপত্তা ব্যৱস্থা হাতত লৈছিল। নিৰ্বাচনত ধন, ক্ষমতাৰ ব্যৱহাৰৰ দিশত শূন্য সহনশীলতাৰ নীতি গ্ৰহণ কৰা হৈছে। দিল্লী বিধানসভাৰ সমান্তৰালকৈ তামিলনাডুৰ ইৰোড ইষ্ট সমষ্টি আৰু উত্তৰ প্ৰদেশৰ মিল্কীপুৰ সমষ্টিৰ উপ নিৰ্বাচনৰ বাবে

কালি ভোটদান অনুষ্ঠিত হৈছিল। ইৰোড ইষ্টত প্ৰায় ৬৭ দশমিক ৯-৭ শতাংশ আৰু মিল্কীপুৰত প্ৰায় ৬৫ দশমিক ৩-৫ শতাংশ ভোটদান সাব্যস্ত হয়।

00000

প্ৰয়াগৰাজৰ মহাকুম্ভত আজি জনজাতি সাংস্কৃতিক সমাগম ২০২৫ অনুষ্ঠিত হ'ব। এই সমাগমত দেশৰ বিভিন্ন প্ৰান্তৰ পৰা প্ৰায় ১৫ হাজাৰৰো অধিক জনজাতীয় লোকে অংশগ্ৰহণ কৰিব। আমাৰ সংবাদদাতাই ইতিমধ্যে প্ৰতিবেদনত জনাইছে যে, ছদিনীয়া এই অনুষ্ঠানত সকলোৱে আদিৱাসীসকলৰ সংস্কৃতি আৰু পৰম্পৰা ৰক্ষাৰ প্ৰতিশ্ৰুতি ল'ব। উল্লেখযোগ্য যে, বীৰছা মুণ্ডাৰ ১৫০ সংখ্যক জন্মজয়ন্তী উপলক্ষে ২০২৫ বৰ্ষক জনজাতীয় গৌৰৱ বৰ্ষ হিচাপে ঘোষণা কৰা হৈছে।

00000

সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত উন্নয়নৰ পথত অগ্ৰসৰ হৈছে। ভাৰ্চুৱেল ব্যৱস্থাৰে আগৰতলাত আয়োজন কৰা নিযুক্তি পত্ৰ বিতৰণৰ কাৰ্যসূচী সম্বোধন কৰি গৃহমন্ত্ৰী অমিত শ্বাহে এনেদৰে কয়। ত্ৰিপুৰা চৰকাৰে কোনো ধৰণৰ বৈষম্য বা দুৰ্নীতি অবিহনে সম্পূৰ্ণ স্বচ্ছতাৰে চাকৰি প্ৰদান কৰিছে বুলিও তেওঁ মন্তব্য কৰে। যোৱা ১০টা বছৰত নৰেন্দ্ৰ মোদী চৰকাৰে শান্তি স্থাপনৰ উদ্দেশ্যে ত্ৰিপুৰাৰ সৈতে ৩ খন চুক্তি স্বাক্ষৰ কৰে। ত্ৰিপুৰাত সশস্ত্ৰ সংগঠনসমূহ নিৰ্মূল কৰি আত্মসমৰ্পনৰ জৰিয়তে মূলসুঁতিত যোগদান কৰোৱা হৈছে। তেওঁ লগতে কয়, যে স্থায়ী বাসস্থান, শিক্ষা, স্বাস্থ্যসেৱা আৰু চাকৰিৰ সুযোগ প্ৰদান কৰি মোদী চৰকাৰে ব্ৰু-ৰিয়াং জনসাধাৰণৰ জীৱনত ইতিবাচক পৰিৱৰ্তন আনিছে। ইয়াৰ পূৰ্বে অশান্ত আৰু দুৰ্নীতিগ্ৰস্ত হিচাপে পৰিগণিত ৰাজ্যখন বৰ্তমান উন্নয়নৰ দিশলৈ গতি কৰিছে বুলি মন্ত্ৰীগৰাকীয়ে মত প্ৰকাশ কৰে।

00000

ৰাজকুমাৰ ৰোহিম আল হুছেইনীক ইছমাইলী মুছলমানৰ অধ্যাত্মিক নেতা নতুন আগা খান হিচাপে নামকৰণ কৰা হৈছে। পিতৃৰ ইচ্ছাপত্ৰত আগা খান পঞ্চম নামেৰে চিহ্নিত ৫৩ বছৰীয়া ৰাজকুমাৰ ৰোহিম ইছমাইলীসকলৰ ৫০ সংখ্যক বংশগত ইমাম হিচাপে পৰিগণিত হয়। তেওঁৰ পিতৃ আগা খান চতুৰ্থ তথা ইছলাম ধৰ্মগুৰু ৰাজকুমাৰ কৰিম আল হুছেইনীয়ে ৮৮ বছৰ বয়সত যোৱা মঙলবাৰে পৰ্টুগালত শেষ নিশ্বাস ত্যাগ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ইছলাম ধৰ্মৰ ইছমাইলী গুৰু প্ৰিন্স কৰিম আগা খান চতুৰ্থৰ বিয়োগত কালি গভীৰ শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীমোদীয়ে কয়, যে আগা খানে তেওঁৰ জীৱন সেৱা মনোভাৱ আৰু আধ্যাত্মিকতাৰ দৃষ্টিভংগীৰে অতিবাহিত কৰে। প্ৰধানমন্ত্ৰীয়ে লগতে কয়, যে আগা খান চতুৰ্থই স্বাস্থ্য, শিক্ষা, গ্ৰামোন্নয়ন আৰু মহিলা সবলীকৰণৰ বাবে কৰা কৰ্মৰাজিয়ে ভালেমান লোকক অনুপ্ৰাণিত কৰি থাকিব। প্ৰধানমন্ত্ৰী মোদীয়ে সমগ্ৰ বিশ্বৰ আগা খানৰ কোটি কোটি শুভাকাংক্ষী, অনুগামী  আৰু তেওঁৰ পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

00000

বৈদেশিক পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী ড° এছ্ জয়শংকৰে কালি নতুন দিল্লীত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ অধ্যক্ষ ফিলেমন য়াঙক সাক্ষাৎ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ড° জয়শংকৰে জানিবলৈ দিয়ে যে তেওঁলোকে ৰাষ্ট্ৰসংঘৰ কাৰ্যসূচীৰ অন্তৰ্গত বিভিন্ন বিষয় লৈ আলোচনা কৰে। তেওঁলোকে লগতে ৰাষ্ট্ৰসংঘৰ বহুপাক্ষিক সংস্কাৰৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ড° জয়শংকৰে আঞ্চলিক, গোলকীয় আৰু উন্নয়নমূলক বিষয়সমূহৰ

সন্দৰ্ভত ভাৱ-বিনিময় কৰে। ভ্ৰমণৰ অংশ হিচাপে ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাৰ অধ্যক্ষগৰাকীয়ে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুকো সৌজন্যমূলক সাক্ষাৎ কৰিব।

ooooo

ভাৰতীয় বিমান বাহিনীৰ সূৰ্য কিৰণ এৰোবেটিক দলে বেংগালুৰুত অহা ১০ৰ পৰা ১৪ ফেব্ৰুৱাৰীলৈ বিমান চালনাৰ কৌশল প্ৰদৰ্শন কৰিব। বাহিনীটোৰ ১৪গৰাকী আগশাৰীৰ পাইলটে Hawk Mk-132 জেট বিমানেৰে বিভিন্ন কৌশল প্ৰদৰ্শন কৰিব। উল্লেখযোগ্য যে, ১৯৯৬ চনত স্থাপন কৰা সূৰ্য কিৰণ এৰোবেটিক দলে ৯খন বিশেষ বিমানৰ দ্বাৰা দুঃসাহসিক বিমান চালনাৰ প্ৰদৰ্শন কৰি আহিছে। এই দলটোৱে দেশৰ লগতে বিদেশতো ৭০০ বাৰ এনে ধৰণৰ প্ৰদৰ্শন কৰিছে।

ooooo

দেশত সোণৰ চাহিদা ২০২৩ বৰ্ষৰ ৭৬১ টনৰ বিপৰীতে বিগত বৰ্ষত ৫ শতাংশ বৃদ্ধি হৈ ৮০২ দশমিক ৮ টন হয়। আমদানি শুল্ক হ্ৰাস পোৱাৰ ফলত বিভিন্ন উৎসৱ পাৰ্বন আদিত সোণৰ ক্ৰয়ৰ পৰিমাণ বৃদ্ধি পায়। বিশ্ব সোণ পৰিষদৰ সূত্ৰ অনুসৰি চলিত বৰ্ষত সোণৰ চাহিদা ৭০০ৰ পৰা ৮০০ টনৰ মাজত থকাৰ সম্ভাৱনা আছে। সোণৰ চাহিদা মূল্য ২০২৩ বৰ্ষৰ ৩ লাখ ৯২ হাজাৰ কোটি টকাৰ বিপৰীতে ২০২৪ বৰ্ষত ৫ লাখ ১৫ হাজাৰ ৩৯০ কোটি টকালৈ বৃদ্ধি হয়।

ooooo

আমেৰিকা যুক্তৰাষ্ট্ৰত অবৈধভাৱে বসবাস কৰা ১০৪গৰাকী ভাৰতীয় লোকক কঢ়িয়াই অনা আমেৰিকা যুক্তৰাষ্ট্ৰৰ এখন বিমান কালি বিয়লি অমৃতসৰৰ শ্ৰীগুৰু ৰামদাস জী আন্তৰ্জাতিক বিমান বন্দৰত অৱতৰণ কৰে। সূত্ৰ অনুসৰি ইয়াৰ ভিতৰত ৩০গৰাকী পাঞ্জাৱৰ লোক থকাৰ বিপৰীতে আন লোকসকল চণ্ডীগড়, হাৰিয়ানা, গুজৰাট, মহাৰাষ্ট্ৰ আৰু উত্তৰ প্ৰদেশৰ বুলি জানিব পৰা গৈছে। অমৃতসৰ প্ৰশাসনে ইয়াৰ বাবে বিমান বন্দৰ প্ৰাধিকৰণৰ সৈতে সকলো ধৰণৰ প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰে। প্ৰত্যাৰ্পন কৰা লোকসকলৰ সবিশেষ চিনাক্ত কৰাৰ বাবে প্ৰক্ৰিয়া অব্যাহত আছে। আমেৰিকা যুক্তৰাষ্ট্ৰত নতুন চৰকাৰ গঠন হোৱাৰ পাছত দেশখনত অবৈধভাৱে বসবাস কৰা লোকৰ এইটো হৈছে প্ৰথম প্ৰত্যাৰ্পন প্ৰক্ৰিয়া।

ooooo

ইণ্ডিয়ান ছুপাৰ লীগ, আই এছ এল ফুটবল প্ৰতিযোগিতাত কালি নিশা কলকাতাৰ বিবেকানন্দ যুৱ ভাৰতী ক্ৰীড়াংগনত অনুষ্ঠিত এখন খেলত মোহন বাগান ছুপাৰ জায়েণ্টে, পঞ্জাৱ এফ চিক ৩-০ গলত পৰাস্ত কৰে। এই জয়ৰ সুবাদত দলটো সৰ্বমুঠ ৪৬ পইণ্টেৰে প্লে অফলৈ যোগ্যতা অৰ্জন কৰা প্ৰথম দল হিচাপে পৰিগণিত হৈছে। মোহন বাগানাৰ জেমি মেকলাৰেনে খেলখনৰ দ্বিতীয়াৰ্ধত দুটা গল আৰু লিষ্টন কোলাকোৱে এটা গল দিয়ে। প্ৰতিযোগিতাত আজি গোৱাৰ জৱাহৰলাল নেহৰু ষ্টেডিয়াত এফ চি গোৱা আৰু ওড়িশা এফ চি মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব। এফ চি গোৱাই শেহতীয়াকৈ জামছেদপুৰ এফ চিৰ হাতত পৰাজিত হোৱাৰ পৰিপ্ৰেক্ষিতত আজিৰ খেলখনত জয়লাভ কৰাৰ প্ৰচেষ্টা চলাব।

ooooo

চিংগাপুৰত চলি থকা বিশ্ব টেবল টেনিছ প্ৰতিযোগিতাত ভাৰতৰ শীৰ্ষ বাছনিৰ পুৰুষৰ ডাবলছৰ যুটী মানৱ থাক্কৰ আৰু মনুশ্ব শ্বাহে আজি কোৱাৰ্টাৰ ফাইনেলত ফ্ৰান্সৰ চতুৰ্থ বাচনিৰ যুটী ফ্ল'ৰিয়ান

বৌৰাচাউড আৰু এচ্টেবান দ'ৰৰ মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি বিয়লি চাৰে তিনি বজাত আৰম্ভ হ'ব। ভাৰতীয় যুটীটোৱে কালি এখন খেলত হংকঙৰ ৱাং চুং টিঙ আৰু য়ি ক্কান ট'ক ৩-০ ফলাফলত পৰাস্ত কৰি কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰে।

০০০০০

**সমাপ্ত**